# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৯৪/২০২২**

**শদিয়াৰ চপাখোৱাত অনুষ্ঠিত সদৌ বুঢ়াগোহাঞি বংশাৱলীৰ ১৩৯ তম অধিৱেশনত অংশগ্ৰহণ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ**

## আহোম ৰাজত্বকালত বুঢ়াগোহাঞি ডাঙৰীয়াসকলে যি অভূতপূৰ্ব বৰঙণি আগবঢ়াই গ'ল সেয়া অসম তথা অসমীয়া জাতিৰ জাতীয় চেতনাত সদায় অম্লান হৈ ৰ'ব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৩ এপ্ৰিল ঃ** 'পৃথিৱীৰ ইতিহাসত নজহা-নপমা চানেকি ৰাখি থৈ যোৱা ৬০০ বছৰীয়া আহোম ৰাজত্বৰ অন্যতম কাণ্ডাৰী আছিল বুঢ়াগোহাঞি ডাঙৰীয়াসকল। স্বৰ্গদেউ চাওলুং চ্যুকাফাই মৈত্ৰী আৰু একতাৰ ডোলেৰে বান্ধি প্ৰতিষ্ঠা কৰা বৰ অসমৰ ভেঁটি সুদৃঢ় কৰাত বুঢ়াগোহাঞি ডাঙৰীয়াসকলৰ ভূমিকা আছিল অপৰিসীম। প্ৰচুৰ কৰ্মদক্ষ, বিচক্ষণ আৰু কৰ্তব্যপৰায়ণ বুঢ়াগোহাঞি ডাঙৰীয়াসকলে আহোম ৰাজত্বৰ প্ৰশাসন, সমাজ ব্যৱস্থা, অৰ্থনৈতিক ক্ষেত্ৰত সুকীয়া চাপ এৰি অসমীয়া জাতিটোকে চিৰকাললৈ যুগমীয়া কৰি থৈ গৈছে।' আজি ইতিহাস প্ৰসিদ্ধ শদিয়াৰ চপাখোৱাত অনুষ্ঠিত সদৌ বুঢ়াগোহাঞি বংশাৱলীৰ ১৩৯ তম অধিৱেশনত অংশগ্ৰহণ কৰি প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এইদৰে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে আহোম শাসনৰ ছশ বছৰীয়া ৰাজত্বকালত বহিঃ তথা আভ্যন্তৰীণ সকলো সমস্যাৰ সমাধানৰ ক্ষেত্ৰত স্বৰ্গদেউসকলক ৰাজমন্ত্ৰী বুঢ়াগোহাঞি ডাঙৰীয়াসকলে প্ৰদান কৰা পৰামৰ্শই আহোম ৰাজত্বৰ ভেঁটি সুদৃঢ় কৰিছিল। অসীম ধৈৰ্য, সাহস, কষ্ট সহিষ্ণুতা, উদাৰ মনোভাৱেৰে বুঢ়াগোহাঞি ডাঙৰীয়াসকলে সমস্যা সমাধানৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। দীৰ্ঘদিনীয়া আহোম ৰাজত্বকালত বুঢ়াগোহাঞি ডাঙৰীয়াসকলে যি অভূতপূৰ্ব বৰঙণি আগবঢ়াই গ'ল সেয়া অসম তথা অসমীয়া জাতিৰ জাতীয় চেতনাত সদায় অম্লান হৈ ৰ'ব। এই মন্তব্য কৰি মুখ্যমন্ত্ৰী শৰ্মাই কয় যে কৰ্তব্যপৰায়ণতা আৰু ৰাজনৈতিক বিচক্ষণতাৰে আহোম ৰাজ্যৰ গুৰি ধৰি কাললৈ অক্ষয়কীৰ্ত্তি ৰাখি থৈ যোৱা বুঢ়াগোহাঞি ডাঙৰীয়াসকলক লৈ অসমবাসী সদায় গৰ্বিত।

মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ১২৫৩ খ্ৰীষ্টাব্দত স্বৰ্গদেউ চ্যুকাফাই চৰাইদেওত ৰাজধানী পাতি বুঢ়াগোহাঞি আৰু বৰগোহাঁই পদবীৰ সৃষ্টি কৰি আহোম প্ৰশাসনৰ স্থায়ী ভেঁটি নিৰ্মাণ কৰিছিল। সেই সময়ৰ পৰা ছশ বছৰীয়া আহোম প্ৰশাসনত বুঢ়াগোহাঞি মন্ত্ৰীত্বৰ পদত পুৰুষানুক্ৰমে নিযুক্তিপ্ৰাপ্ত বুঢ়াগোহাঞিসকলে দেশমাতৃৰ বাবে একনিষ্ঠ দায়িত্ব আৰু কৰ্তব্য পালনেৰে ঐতিহাসিক ভূমিকা গ্ৰহণ কৰিছিল। আহোম প্ৰশাসনত ৰাজমন্ত্ৰীৰ বিষয়বাবেৰে ভূষিত হোৱা বুঢ়াগোহাঞি ডাঙৰীয়াসকলে নিজস্ব দক্ষতা, বিচক্ষণতা আৰু ৰাজনৈতিক প্ৰজ্ঞাৰে আহোম ৰাজত্বৰ ইতিহাসত অম্লান চাপ এৰি থৈ গৈছে বুলিও ড° শৰ্মাই কয়।

বুঢ়াগোহাঞি পৰীয়া লোকসকলে সৰু-বৰ সামৰিক আৰু অসামৰিক বিষয়বাবতো নিযুক্ত হৈ বিচক্ষণতা, কৰ্তব্যপৰায়ণতা আৰু চাতুৰ্যতাৰে আহোম স্বৰ্গদেওসকলক প্ৰশাসনৰ গুৰি-বঠা ধৰাত গুৰুত্বপূৰ্ণ অৰিহণা যোগাই গৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বুঢ়াগোহাঞি বংশৰ লোকে অনেক বিষয়ত

নিযুক্তিপ্ৰাপ্ত হৈ আহোম ৰাজ্যৰ প্ৰশাসনিক নিৰাপত্তা সুদৃঢ় কৰিছিল তথা আৰ্থ-সামাজিক কাৰ্যকলাপক বিশেষ গতি দিছিল।

ছশ বছৰীয়া আহোম প্ৰশাসনত বুঢ়াগোহাঞি ডাঙৰীয়াসকলে ত্যাগ, দেশপ্ৰেম, বীৰত্ব আৰু প্ৰশাসনিক কাৰ্যকলাপেৰে আহোম ৰাজত্বৰ প্ৰশাসনিক স্থিতি সুদৃঢ় কৰি অসম তথা অসমীয়া জাতিক ৰাজনৈতিকভাৱে নিৰাপত্তাৰ ছাঁ প্ৰদান কৰিছিল। এই কথা উল্লেখ মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বুঢ়াগোহাঞি ডাঙৰীয়াসকলৰ ৰাজনৈতিক বিচক্ষণতা আৰু পাৰদৰ্শিতাৰ বাবেই আহোম যুগৰ শৌৰ্য-বীৰ্য চাৰিওফালে প্ৰসাৰিত হৈছিল। বুঢ়াগোহাঞি ডাঙৰীয়াসকলৰ সামৰিক নেতৃত্বতে সোতৰবাৰকৈ হোৱা মোগল আক্ৰমণ প্ৰতিহত কৰিবলৈ সকলো লুইতপৰীয়াই একগোট হৈ অসমীয়া জাতীয়তাবোধেৰে অনুপ্ৰাণিত হৈছিল। আহোম প্ৰশাসনত শুকুলাহুদু বুঢ়াগোহাঞি, আতন বুঢ়াগোহাঞি, দীঘলা বুঢ়াগোহাঞি, পূৰ্ণানন্দ বুঢ়াগোহাঞি, খামপেং বুঢ়াগোহাঞি সকলে লোৱা ভূমিকা ইতিহাসৰ পাতত আজিও সগৌৰৱে জিলিকি আছে বুলিও তেওঁ কয়।

অসমৰ ইতিহাস সমৃদ্ধ কৰা বুঢ়াগোহাঞি ডাঙৰীয়াসকলৰ স্মৃতি কাললৈ সজীৱ কৰি ৰখাৰ লগতে তেওঁলোকৰ আদৰ্শৰে আগুৱাই দেশ আৰু জাতিৰ সেৱাত অধিক উদ্যমেৰে আত্মনিয়োগ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে বুঢ়াগোহাঞি বংশধৰসকলক আহ্বান জনায়। তেওঁ লগতে আশা প্ৰকাশ কৰে যে আহিবলগীয়া দিনবোৰতো বুঢ়াগোহাঞি বংশধৰসকলে অসমীয়া জাতিটোক অধিক সবল কৰাত তথা জাতিটোক জগত সভালৈ লৈ যোৱাৰ ক্ষেত্ৰত শক্তিশালী পদক্ষেপ গ্ৰহণ কৰিব।

সভাত সদৌ বুঢ়াগোহাঞি বংশাৱলীৰ তৰফৰ পৰা প্ৰদান কৰা স্মাৰকপত্ৰৰ দাবীসমূহ ইতিবাচক দৃষ্টিভংগীৰে বিবেচনা কৰাৰ লগতে বংশাৱলীৰ কাৰ্যালয়-গৃহ নিৰ্মাণৰ বাবে শদিয়াত এটুকুৰা ভূমি আবণ্টনৰ ব্যৱস্থা কৰা হব বুলিও মুখ্যমন্ত্ৰী শৰ্মাই ঘোষণা কৰে।

আজিৰ সভাত চাহ জনগোষ্ঠী কল্যাণ বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণ, সাংসদ প্ৰদান বৰুৱা, স্থানীয় বিধায়ক বলীন চেতিয়া, অৰুণাচল প্ৰদেশৰ ডাম্বুক সমষ্টিৰ বিধায়িকা গুম টায়েং, বিশিষ্ট শিক্ষাবিদ দয়ানন্দ বৰগোহাঞি, সদৌ বুঢ়াগোহাঞি বংশাৱলীৰ কেন্দ্ৰীয় সভাপতি চাও সুন্দৰ বুঢ়াগোহাঞি আৰু সম্পাদক চাও ৰঞ্জন বুঢ়াগোহাঞিকে ধৰি বহুসংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**প্ৰঃকুঃবঃ/৩ এপ্ৰিল, ২০২২**